**জনসংযোগ, অসম** **প্ৰেছ বাৰ্তা নং ঃ ১৯২**

# পৰিবহণ নিগমত শুভাৰম্ভ
## ডিজিটেল ব্যৱস্থাৰে পাৰ্কিং মাচুল সংগ্ৰহ

**গুৱাহাটী, ১ আগষ্ট ঃ** আজি অসম ৰাজ্যিক পৰিবহণ নিগমৰ বেতকুছিৰ ৰূপনাথ ব্ৰহ্ম আন্তঃৰাজ্যিক বাছ আস্থানত উত্তৰ পূৰ্ব্বাঞ্চলৰ ভিতৰতে সৰ্ব্বপ্ৰথম পদক্ষেপ হিচাপে পাৰ্কিং মাচুল সংগ্ৰহৰ ডিজিটেল গেটৰ শুভাৰম্ভ কৰে অসমৰ পৰিবহণ মন্ত্ৰী পৰিমল শুক্লবৈদ্যই। উদ্বোধনী ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে, জনসাধাৰণৰ সুবিধাৰ্থে স্থাপিত “পাৰ্কিং বুম বেৰিয়াৰ” হৈছে প্ৰযুক্তিগত উন্নয়নৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ।

ইয়াৰ লগত সংগতি ৰাখি ‘হৰ ঘৰ ত্ৰিৰংগা’ কাৰ্যসূচী পৰিবহণ নিগমত শুভাৰম্ভ কৰে অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধ্যক্ষ মিচন ৰঞ্জন দাসে।

এই অনুষ্ঠানত পৰিবহণ নিগমৰ উপাধক্ষ্য প্ৰণৱজ্যোতি লহকৰ, YES Bank ৰ সভাপতি পাৰ্থ প্ৰতিম গোস্বামী, পৰিবহণ নিগমৰ পৰিচালন সঞ্চালক ৰাহুল চন্দ্ৰ দাস, পৰিবহণ কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক দ্বিজেন লহকৰ প্ৰমুখ্যে বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

**মৌ.ভ/প্ৰ.কু.দ/০১-০৮-২০২২**